## গাড়ীৰ পাৰ্কিং আৰু চালকৰ যোগাযোগ নম্বৰ

আজিকালি ঘৰেপতি বাহনৰ সংখ্যা বাঢ়িছে। সুৰক্ষা আৰু সুবিধা—দুয়োটা দিশেৰে সুচল বাবে দুচকীয়াৰ সলনি চাৰিচকীয়া বাহনখন লৈ ওলাই যোৱাটো বহুতৰে অভ্যাসত পৰিণত হৈছে। পিছে বহুকেইখন চাৰিচকীয়া বাহন একেখন চোতাল বা কাৰ্যালয়ৰ সন্মুখভাগত কাৰো অসুবিধা নোহোৱাকৈ পাৰ্কিং কৰাৰ ব্যৱস্থা আমাৰ দেশৰ বেছিভাগ ঠাইতেই নাই বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

ব্যক্তিগতভাৱে কেইবাটাও প্ৰতিষ্ঠানত গাড়ী পাৰ্কিঙৰ বাবে অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰিছোঁ। মোৰ নিজৰ গাড়ীখন অইনৰ গাড়ী সোমাব বা ওলাব পৰাকৈ পাৰ্কিং কৰি থৈ গ'লেও আন এখন গাড়ীৰ চালকে হয়তো আগ-পিছ নুগুণি নাইবা সুবিধাজনক ঠাইৰ অভাৱত মোৰ গাড়ীৰ ঠিক পিছতে নিজৰ গাড়ীখন ৰখাই থৈ নামি গ'ল—তেনে ক্ষেত্ৰত মোৰ গাড়ীখন উলিয়াই আনিবলৈ পিছৰ গাড়ীখন আঁতৰাই নিনিয়ালৈকে অপেক্ষা কৰাৰ বাদে গত্যন্তৰ নাথাকে। জৰুৰীকালীন পৰিস্থিতিত এনে অসুবিধাই ভয়ংকৰ ৰূপ ল'ব পাৰে।

ভাবিলোঁ মোৰ গাড়ীখন ক'ৰবাত ৰখাই এৰি যোৱাৰ পৰত যদি মোৰ (চালকৰ) যোগাযোগ নম্বৰটো গাড়ীৰ বাহিৰৰ পৰা আনে দেখাকৈ লিখি দিওঁ, তেতিয়া মোৰ গাড়ীখনৰ বাবে কাৰোবাৰ অসুবিধা হ'লে তেওঁ পোনছাটেই ফোন কৰি কথাটো জনাব পাৰিব। সেয়ে এখিলা কাগজত 'পাৰ্কিঙৰ ক্ষেত্ৰত অসুবিধা হ'লে ...' বুলি মোৰ যোগাযোগ নম্বৰটো স্পষ্টকৈ লিখি লৈছোঁ, আৰু ৰাজহুৱা স্থানত গাড়ী ৰখাই আঁতৰি যাব লাগিলে সেই কাগজখিলা গাড়ীৰ ভিতৰত ডেছ্-ব'ৰ্ডত থৈ গুচি যাওঁ।

এই সৰু কামটোৰে আন বাহনৰ গৰাকীক যোৱা দুমাহত কেইবাবাৰো উপকৃত কৰিছে। কামটো দুচকীয়াক বাদ দি পথত চলা আন বাহনৰ চালকসকলেও কৰা উচিত বুলি মই বিশ্বাস কৰোঁ।

**ডা° সমুজ্জ্বল ভৰদ্বাজ,**
'জোনাকী কাৰেং',
গাঁও আৰু ডাক ঃ কাজিপাৰা-৭৮১৩৪১,
নলবাৰী, ফোন ঃ ৭৩৯৯৯৩৩৬৭৫

## গছপুলি ৰোপণ

আমাৰ ঘৰৰ পৰা প্ৰায় ৬০০/৮০০ মিটাৰ দূৰত এটা নামঘৰ আছে। ২০১৮ চনৰ বহাগ মাহত দুদিনীয়া কাৰ্যসূচীৰে ভাগৱত পাঠ আৰু ব্যাখ্যা পাতিছিল। কাৰ্যসূচীত আছিল গছপুলি ৰোপণ।

বিশিষ্টজনে গছপুলি ৰোপণ সন্দৰ্ভত চমু ভাষণ দিলে। ভাষণহে দিলে কিন্তু আজিও তেখেতসকলে ৰোৱা পুলিকেইটা মৰিল নে বাচি আছে চাবলৈ সময় নহ'ল। ভাগৱত পাঠ পতাসকলে নামঘৰৰ কাষৰ ৰাস্তাৰ গছ-গছনিবোৰত ৪ ফুটমানলৈকে চুণ দি বগা কৰিলে। তেখেতসকলেও গছপুলিবোৰ কি হৈছে চোৱা দেখা নাই। কিন্তু নামঘৰৰ কাষৰে এজন দিন হাজিৰা কৰা খুৰাই আজিৰ পৰা চাৰি-পাঁচ বছৰৰ আগতে এদিন ৰাতিপুৱাই সেই নামঘৰৰ সন্মুখত দুটা নাৰিকলৰ পুলি ৰুই নিজৰ ল'ৰা-ছোৱালী প্ৰতিপাল কৰাৰ নিচিনাকৈ যত্ন লৈ আছে। গছপুলি ৰুলেই নহ'ব ইয়াক প্ৰতিপাল কৰাটোহে মূল কথা। ভাগৱত পাঠ কমিটিৰ যুৱকসকলে ৰাস্তাৰ দুয়োকাষে প্ৰায় একুৰি টিউব লাইট জ্বলাই ৰাতিক দিন যেন কৰাতহে গুৰুত্ব দিলে। কিন্তু গছপুলিকেইটা চোৱা-চিতা কৰাত গুৰুত্ব নিদিলে। বৃক্ষই জীৱন। দুটা নাৰিকল গছপুলি প্ৰতিপালন কৰা খুৰাজনৰ শিক্ষাগত অৰ্হতা কম হ'ব পাৰে, কিন্তু চিন্তাধাৰা বহুত ওপৰত।

**স্বপ্নদীপ বৰা,**
ছাত্ৰ ঃ বৰএলেঙী মজলীয়া বিদ্যালয়,
ডাক ঃ বৰএলেঙী, লখিমপুৰ-৭৮৭০৫৪, বিহপুৰীয়া,
ফোন ঃ ৯৯৫৭৩৫৪১৪৩

## বান্ধৱ

বন্ধু বা বন্ধুত্বৰ সম্পৰ্ক থকা মানুহেই হৈছে বান্ধৱ। সঁচা অৰ্থতেই এনে ধাৰণাৰ আধাৰত প্ৰতিষ্ঠিত পাণবজাৰৰ 'বান্ধৱ' এখন গ্ৰন্থৰ বিপণি আৰু প্ৰকাশন প্ৰতিষ্ঠান। গ্ৰাহকক তেওঁলোকে বন্ধুলৈ পৰিণত কৰিব পাৰে—একমাত্ৰ ব্যৱসায়িক স্বাৰ্থতেই নহয়; একান্ত আন্তৰিকতাৰে; মানৱীয়তাৰে।

মই গুৱাহাটী বিশ্ববিদ্যালয়ত গৱেষণা কৰি থাকোঁতে 'বান্ধৱ'ৰ স্বত্বাধিকাৰী ৰঞ্জনজ্যোতি শৰ্মাক লগ পাইছিলোঁ। আগতে 'বনলতা'লৈ ছিৰিয়েদি উঠি যাওঁতে এটা চুকত থকা বিপণি এখনৰ ওপৰত লিখি থোৱা চকুত পৰে—বান্ধৱ। লাহে লাহে কিতাপ বিচাৰি বান্ধৱলৈ যাওঁ। থকাবোৰ দিয়ে, নথকাবোৰ আন ক'ৰবাৰ পৰা আনি দিয়ে। প্ৰিণ্ট উপলব্ধ থকা কিতাপ কেতিয়াও নাই বুলি ঘূৰাই নপঠিয়ায় আৰু আন দোকানৰ পৰা সংগ্ৰহ কৰি যোগান ধৰে।

২০১৫ চনত শিক্ষক হিচাপে অসম মহিলা বিশ্ববিদ্যালয়ত যোগদান কৰোঁ। যোৰহাটত সকলো কিতাপ পোৱা নাযায়। ৰঞ্জন শৰ্মাই কয়—যি কিতাপ লাগে ক'বা, পঠিয়াই দিম। তেনেকৈ কিতাপবোৰ যোৰহাটত পাবলৈ ধৰিলোঁ; মোৰ লগতে সহকৰ্মীসকলৰ বাবেও কিতাপ যোগান ধৰে তেওঁ। আকৌ গুৱাহাটীলৈ অহাৰ পাছত তেওঁৰ লগত ঘনিষ্ঠতা বাঢ়িল; সুবিধা পালেই তেওঁৰ ওচৰলৈ যাওঁ। গ্ৰাহকৰ ভিৰ নাথাকিলে কথা পাতে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ কথা। আগশাৰীৰ লেখক-সাহিত্যিকৰ কথা। অসমীয়া বিষয়ৰ বেছিভাগ কথাই তেওঁৰ দখলত আছে। নতুন পাঠ্যক্ৰমৰ কিতাপ কিছুমান এইবাৰ পোৱাত অসুবিধা হ'ল। বজাৰত নোপোৱা কিতাপৰ একোটা প্ৰবন্ধ, একোটা গল্প তেওঁ ক'ৰবাৰ পৰা সংগ্ৰহ কৰি হ'লেও যোগান ধৰে।

এদিন দেখিলোঁ—এগৰাকী গ্ৰাহকে গল্পকাৰ এগৰাকীৰ এটা গল্প কোনখন কিতাপত আছে সুধিছে। তেওঁ জ্ঞাত নহয় বাবে লগালগ লেখকলৈ ফোন লগাইছে; সঠিক তথ্য সংগ্ৰহ কৰি গ্ৰাহকগৰাকীক দিছে। অকল মোৰ লগতে নহয় এদিনীয়া গ্ৰাহক এগৰাকীকো ৰঞ্জন শৰ্মাই পাৰ্যমানে সহায় কৰিব খোজে; সিদিনা গম পালোঁ।

ৰঞ্জন শৰ্মাই ব্যৱসায়িক স্বাৰ্থৰ ঊৰ্দ্ধলৈ গৈ অধ্যয়নৰ লগতে মানুহৰ লগত সুসম্পৰ্কৰে এটা সুন্দৰ ভাবমূৰ্তি গঢ়ি তুলিবলৈ সক্ষম হৈছে। তেওঁ সদায় অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বান্ধৱ হৈ থাকক।

**ড° ধনেশ্বৰ কলিতা,**
সহকাৰী অধ্যাপক,
শৰাইঘাট কলেজ,
চাংসাৰি-৭৮১১০১, কামৰূপ,
ফোন ঃ ৮২৫৫০৩৩১০৭

## এটা ডাউক আৰু মোৰ চকুপানী

আমাৰ ঘৰৰ পিছফালে এটা ডাঙৰ পুখুৰী আছে। এই পুখুৰীটোৰ চাৰিওফাল সৰু সৰু জোপোহা গছেৰে আবৰি আছে। ইয়াত কেইহালমান ডাউক চৰাইৰ বাসস্থান আছিল। ৰাতিপুৱা আৰু গধূলি প্ৰায়ে চৰাইকেইটাই কুৰুৱাক কুৰুৱাককৈ চিঞৰি থাকে। সিহঁত খাদ্য বিচাৰি আমাৰ ঘৰৰ দমকলৰ পাৰলৈকে আহে। সিহঁতৰ কাৰণে ভাত অলপ ছটিয়াই দি থওঁ। আহি খাই থৈ যায়।

যোৱা কেইবছৰমানৰ ভিতৰত পুখুৰীৰ চাৰিওফালে হাবি-বন কাটি নতুনকৈ কেইঘৰমান মানুহ বহিবলৈ লৈছে। ডাউককেইটাৰ থাকিবলৈ ঠাই নাইকিয়া হৈ আহিবলৈ ধৰিলে। সিহঁত আগতে যিখিনি ঠাইত আছিল সেইডোখৰ ঠাইত মানুহৰ বাসস্থান হ'ল। লাহে লাহে সিহঁতে আমাৰ বাৰীখনতেই বাসস্থান পাতি ল'লে। একমাত্ৰ সিহঁতৰ কথা ভাবিয়েই আমাৰ পিছফালৰ সৰু সৰু জোপোহা গছবোৰ আৰু হাবি-বনবোৰ নকটাকৈ থ'লোঁ। কিন্তু কেইবছৰমানৰ পৰা সিহঁতৰ সংখ্যা কমি গ'ল। লাহে লাহে আগৰ দৰে সিহঁতক একেলগে নেদেখা হ'লোঁ। মনতে ভাবিলোঁ আগৰ দৰে জাক পাতি নুফুৰি এটা এটাকৈ ফুৰে বোধহয়। কেইদিনমানৰ পৰা সিহঁতৰ মাত একেবাৰে নুশুনা হ'লোঁ। মোৰ কণমানি ল'ৰা-ছোৱালী দুটায়ো কথাটো লক্ষ্য কৰি আছিল। সিহঁতে ডাউককেইটাৰ